# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, the 1st September, 2000

The House met at 4 P.M. of the Clock in the Assembly Chamber at Dispur with Shri. Ganesh Kutum, Speaker in the Chair.

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

Mr. Speaker :Item No. 1, report of the Business Advisory Committee.

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I called a meeting of the Business Advisory Committee on 23rd August, 2000 for finalisation of the Calender of the Current Session of the Assembly. After a threadbare discussion, the Committee decided that the current session of the Assembly should continue till 7th September, 2000. The Committee also decided that on 1st September, that is today there will be no question hour and the House will adjourn after making obituary references of a sitting member Shri Mohini Basumatary and other prominent personalities. However, it was decided that the questions listed for 1st September, 2000 both oral and Written will be taken up from 4 PM to 5 PM on 2nd September, 2000 followed by other business as listed in the calender for the current sesssion. The Committee further decided that on 7th September, 2000 the House would take up introduction, consideration and passing of the Assam Appropriation Bill No. III relating to Supplementary Demands for Grants. Other Business like consideration and passing of Govt. Bills and remaining unfinished Govt. Business would be taken up after the passing of the Appropriation Bill by extending the time of the sitting on that day if need be.

The Calender for the current session of the Assembly has

already been circulated amongst all Hon'ble Members of the Assembly.

I hope this has the approval of the House.

(Hon'ble Members approved by thumping on the tables).

## OBITUARY REFERENCES

মাননীয় অধ্যক্ষ ঃ যোৱা ৭-৪-২০০০ তাৰিখে অসম বিধান সভাৰ বাজেট অধিবেশনৰ সমাপ্তিৰ পৰা আজি ১-৯-২০০০ তাৰিখে অসম বিধান সভাৰ অধিবেশন অনুষ্ঠিত হোৱাৰ এই সময় ছোৱাৰ ভিতৰত এই সদনৰ সদস্যকে ধৰি আমাৰ দেশ তথা ৰাজ্যৰ বিভিন্ন ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়োৱা ভালেকেইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোক প্ৰাপ্তি ঘটে। অতি দুখ আৰু ব্যথিত হৃদয়েৰে আজি এই পবিত্ৰ সদনত তলত উল্লেখিত ব্যক্তি সকলৰ বিয়োগত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে।

১। প্ৰবীণ ৰাজনীতিজ্ঞ, অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ দেৱেশ চন্দ্ৰ চক্ৰৱৰ্ত্তীৰ যোৱা ১৬-৬-২০০০ তাৰিখে মুম্বাইৰ টাটা মেমৰিয়েল চিকিৎসালয়ত অসুস্থতা হেতু ৬৪ বছৰ বয়সত পৰলোক প্ৰাপ্তি ঘটে।

ৰেল বিভাগৰ চাকৰিৰে কৰ্মজীৱন আৰম্ভ কৰা চক্ৰৱৰ্ত্তীয়ে পিছলৈ লামডিং মহাবিদ্যালয়ত অধ্যাপনা কৰিছিল।

১৯৮৩ চনত লামডিং সমষ্টিৰ পৰা তেখেত অসম বিধান সভালৈ সদস্য নিৰ্বাচিত হয়। ১৯৯১ চনত পুনৰ একেটা সমষ্টিৰ পৰা সদস্য নিৰ্বাচিত হৈ কিছুদিন ৰাজ্যিক মন্ত্ৰী হিচাবে কাৰ্য্য নিৰ্ব্বাহ কৰি ১-৮-৯১ তাৰিখে অসম বিধান সভাৰ উপাধ্যক্ষ নিৰ্বাচিত হয়। ১৯৯২ চনৰ ২১ ডিচেম্বৰত অসম বিধান সভাৰ অধ্যক্ষ নিৰ্বাচিত হৈ ১৯৯৬ চনৰ ১১ জুনলৈ দক্ষতাৰে তেখেতে কাৰ্য্যনিৰ্বাহ কৰে।

এই গৰাকী সমাজ কৰ্মী তথা ৰাজনীতিজ্ঞৰ মৃত্যুত অসমৰ এক অপূৰণীয় ক্ষতি হ'ল।

২। ১৯৬৫ চনত জন্ম গ্ৰহণ কৰা মোহিনী বসুমতাৰী ১৯৯৬ চনত বিজনী বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ সদস্য নিৰ্বাচিত হয়। পি-ডি-এফ দলৰ সদস্য বসুমতাৰী বড়ো সমাজখনৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতঃ ভাৱে জড়িত হৈ আছিল। বসুমতাৰীক যোৱা ২১-৮-২০০০ তাৰিখে বিজনীৰ নিজ বাসভৱনত আততায়ীয়ে নৃশংসভাবে গুলীয়াই হত্যা কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৩৫ বছৰ।

এই গৰাকী যুৱ সমাজকৰ্ম্মী তথা ৰাজনীতিজ্ঞৰ অকাল মৃত্যুত ৰাজ্যখনৰ বিশেষকৈ বড়ো সমাজৰ অপূৰণীয় ক্ষতি হয়।

৩। কেন্দ্ৰীয় মন্ত্ৰী পি ৰঙ্গৰাজন কুমাৰমঙ্গলমৰ যোৱা ২৩-৮-২০০০ তাৰিখে 'অল ইণ্ডিয়া ইন্সটিটিউট অৱ মেডিকেল ছায়েঞ্চ চিকিৎসালয়ত ৰোগত ৪৮ বছৰ বয়সত পৰলোক প্ৰাপ্তি ঘটে। বাজপেয়ী মন্ত্ৰীসভাত শক্তিমন্ত্ৰী হিচাপে তেওঁ শক্তি খণ্ডত ভলেখিনি সংস্কাৰৰ উদ্যোগ লৈছিল। ১৯৮৮ চনত তেখেত প্ৰথম বাৰ তামিলনাডুৰ ছালেম সংসদী সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থী হিচাপে লোকসভালৈ সদস্য নিৰ্ব্বাচিত হয়। ১৯৯১ চনত পুনৰ নিৰ্ব্বাচিত হৈ পি.ভি. নৰসিংহ ৰাও চৰকাৰত মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰে। ১৯৯৮ চনত ভাৰতীয় জনতা দলত যোগ দি তিৰুচিৰাপল্লী সমষ্টিৰ পৰা দুবাৰকৈ লোকসভালৈ নিৰ্ব্বাচিত হয় আৰু শক্তি দপ্তৰৰ মন্ত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰে।

এই গৰাকী সুদক্ষ ৰাজনৈতিক নেতাৰ অকাল বিয়োগত দেশৰ এক অপূৰণীয় ক্ষতি হ'ল।

৪। ১৯৪৫ চনত জন্ম লাভ কৰা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, ৰাজেশ পাইলটৰ ডাউছা জিলাত হোৱা এক পথ দুৰ্ঘটনাত যোৱা ১১-৬-২০০০ তাৰিখে মৃত্যু ঘটে। কংগ্ৰেছ দলৰ আগশাৰীৰ নেতা ৰাজেশ পাইলট ১৯৮০ চনত ভাৰতপুৰ লোকসভা সমষ্টিৰ পৰা লোক সভালৈ সদস্য নিৰ্ব্বাচিত হৈছিল। ১৯৮৫ আৰু ১৯৯১ চনত তেখেত পুনৰ লোকসভালৈ সদস্য নিৰ্বাচিত হৈ কেন্দ্ৰীয় মন্ত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

১৯৯৯ চনতো সংসদলৈ তেখেত নিৰ্বাচিত হয়। তেখেতে অসমকে ধৰি উত্তৰ পূৰ্ব্বাঞ্চলৰ সন্ত্ৰাসবাদী সমস্যা সমাধানৰ ক্ষেত্ৰতো বিশেষ ভূমিকা লৈছিল।

এই গৰাকী বিচক্ষণ ৰাজনৈতিক নেতাৰ অকাল বিয়োগত দেশৰ এক অপূৰণীয় ক্ষতি হয়।

৫। প্ৰথিত যশা নাট্যকাৰ, সু-সাহিত্যিক, ৰাজনীতিবিদ, অভিনেতা সদা হাস্যময় ৰসাল ব্যক্তিত্বৰ অধিকাৰী লক্ষ্যধৰ চৌধুৰীৰ যোৱা ১৮-৮-২০০০ তাৰিখে হৃদৰোগত আক্ৰান্ত হৈ চিকিৎসালয়ত ৮৬ বছৰ বয়সত দেহাৱসান ঘটে। ১৯১৪ চনত উত্তৰ গুৱাহাটীৰ ৰংমহলত জন্ম গ্ৰহণ কৰা চৌধুৰীয়ে শিক্ষকতাৰে চাকৰি জীৱনৰ পাতনি মেলে। ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা লোৱা চৌধুৰীদেৱে সমাজবাদী দলত যোগদান কৰে। ১৯৬৭ চনত প্ৰথমবাৰৰ বাবে কমলপুৰ বিধান সভা সমষ্টিৰ পৰা সদস্য নিৰ্বাচিত হয় আৰু ১৯৭৮ চনত জালুকবাৰী সমষ্টিৰ পৰা সদস্য

নিৰ্বাচিত হৈ গোলাপ বৰবৰা চৰকাৰৰ তেখেতে শিক্ষামন্ত্ৰী ৰূপে দায়িত্ব পালন কৰে। ১৯৭৫ চনত তেখেতে গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ পদলৈও নিৰ্বাচিত হৈছিল। নাট্যকাৰ হিচাবে খ্যাতি আৰু অভূতপূৰ্ব জনপ্ৰিয়তা অৰ্জন কৰা চৌধুৰীয়ে প্ৰায় ৫২ খন নাট ৰচনা কৰে। নাট্যকাৰ, অভিনেতা আৰু বোলছবিৰ পৰিচালক হিচাবেও তেখেতে খ্যাতি অৰ্জন কৰিছিল। চৌধুৰীয়ে লিখা 'মানুহ বিচাৰি' গ্ৰন্থ খন অতি জনপ্ৰিয় বুলি সমাদৃত হৈছে। প্ৰয়াত চৌধুৰীয়ে অসম সাহিত্য সভাৰ গোৰেশ্বৰ অধিবেশনত সভাপতিৰ পদ অলংকৃত কৰিছিল।

বহু গুণসম্পন্ন চৌধুৰীদেৱৰ বিয়োগত ৰাজ্যখনে কলা-সংস্কৃতি তথা ৰাজনীতি আৰু সমাজ জীৱনৰ এগৰাকী সুযোগ্য সন্তানক হেৰুৱালে।

৬। অসমৰ প্ৰাক্তন মন্ত্ৰী জেহিৰুল ইছলামৰ যোৱা ১-৭-২০০০ তাৰিখে ধুবুৰী জিলাৰ মানকাছাৰৰ নিজা বাসভৱনত হৃদৰোগত আক্ৰান্ত হৈ ৭১ বছৰ বয়সত পৰলোক প্ৰাপ্তি ঘটে। ইছলামে ১৯৬২ আৰু ১৯৬৭ চনৰ নিৰ্বাচনত ছচিয়েলিষ্ট পাৰ্টীৰ প্ৰাৰ্থী হিচাপে মানকাছাৰ সমষ্টিৰ পৰা অসম বিধান সভালৈ সদস্য নিৰ্বাচিত হয়। ১৯৭৮ চনত জনতা পাৰ্টীৰ প্ৰাৰ্থী ৰূপে জয়ী হৈ গোলাপ বৰবৰা মন্ত্ৰী সভাত তেখেতে মন্ত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰে। যোগেন হাজৰিকাৰ মন্ত্ৰীসভাতো তেখেতে এগৰাকী মন্ত্ৰী হিচাপে স্থান পায়। ১৯৮৩ আৰু ১৯৯১ চনৰ নিৰ্বাচনত কংগ্ৰেছ (ই) দলৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচিত হৈ দুয়োবাৰেই তেখেত মন্ত্ৰীসভাত কাৰ্যনিৰ্বাহ কৰিছিল।

এই গৰাকী প্ৰবীণ ৰাজনীতিজ্ঞ তথা সমাজকৰ্ম্মীৰ মৃত্যুত ৰাজ্যখনৰ এক পূৰাব নোৱাৰা ক্ষতি হয়।

৭। প্ৰাক্তন মন্ত্ৰী তথা সমাজ কৰ্মী ডাঃ তাৰিণীমোহন বৰুৱাই যোৱা ২৯-৭-২০০০ তাৰিখে শাৰীৰিক অসুস্থতা হেতু ৮৬ বছৰ বয়সত মৃত্যু বৰণ কৰে। কলিকতা চিকিৎসা মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি বৰুৱাদেৱে দ্বিতীয় মহাযুদ্ধৰ সময়ত সৈন্য বাহিনীৰ যোগেদি কেপ্টেইন পদত অধিষ্ঠিত হৈছিল। ১৯৭৮ চনত দিচপুৰ বিধান সভা সমষ্টিৰ পৰা সদস্য নিৰ্বাচিত হৈ যোগেন হাজৰিকাৰ মন্ত্ৰী সভাত মন্ত্ৰীত্ব লাভ কৰে। তেখেতে গুৱাহাটী পৌৰ নিগমৰ মুখ্য প্ৰশাসক হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল।

এই গৰাকী সমাজ কৰ্ম্মীৰ মৃত্যুত অসমে এগৰাকী সুযোগ্য নেতাক হেৰুৱালে।

৮। প্ৰবীণ ৰাজনীতিবিদ, প্ৰাক্তন মন্ত্ৰী ডাঃ লুটফুৰ ৰহমানৰ যোৱা ২৯-৮-২০০০

তাৰিখে ৮২ বছৰ বয়সত পৰলোক প্ৰাপ্তি ঘটে। প্ৰয়াত ৰহমান স্কুলীয়া দিনৰে পৰা নানান ধৰণৰ সামাজিক সংগঠনৰ কামত জড়িত আছিল। বিভিন্ন শিক্ষানুষ্ঠান, ক্ৰীড়ানুষ্ঠানৰ লগত সক্ৰিয় ভাবে জড়িত তেখেত এগৰাকী জনপ্ৰিয় নেতা আছিল। ১৯৭২ চনত কাছাৰ জিলাৰ বৰখলা সমষ্টিৰ পৰা অসম বিধান সভালৈ কংগ্ৰেছ দলৰ পৰা সদস্য হিচাপে নিৰ্বাচিত হোৱা ডাঃ ৰহমানে গড়কাপ্তানী বিভাগৰ মন্ত্ৰীৰ পদত কাৰ্য্যনিৰ্বাহ কৰিছিল।

এই গৰাকী বৰ্ষীয়ান ৰাজনীতিজ্ঞ তথা সমাজ সেৱকৰ মৃত্যুত অসমে এগৰাকী সুদক্ষ ব্যক্তিক হেৰুৱালে।

৯। বিশিষ্ট সমাজকৰ্মী, প্ৰাক্তন উপ-মন্ত্ৰী লম্বেশ্বৰ সোনোৱালৰ যোৱা ৩০-৬-২০০০ তাৰিখে ৬৫ বছৰ বয়সত হৃদৰোগত আক্ৰান্ত হৈ ডুমডুমাৰ নিজ বাসভৱনত পৰলোকপ্ৰাপ্তি ঘটে। ১৯৮৩ চনত সদিয়া বিধান সভা সমষ্টিৰ পৰা সদস্য নিৰ্বাচিত হোৱা সোনোৱাল প্ৰয়াত হিতেশ্বৰ শইকীয়া মন্ত্ৰীসভাত উপ-মন্ত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। তেখেতে তিনিচুকীয়া জিলা জনজাতীয় উন্নয়ন বৰ্ডৰ সভাপতি, ছৈখোৱাৰ কেঁচাইখাতি থানৰ সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

এই গৰাকী ৰাজনীতিজ্ঞ, সমাজ কৰ্ম্মীৰ মৃত্যুত সমাজৰ এক অপূৰণীয় ক্ষতি হ'ল।

১০। মুক্তিযোদ্ধা, গান্ধীবাদী নেতা তথা প্ৰাক্তন বিধায়ক ধ্ৰুৱ নাৰায়ণ বৰুৱাৰ বাৰ্দ্ধক্যজনিত ৰোগত যোৱা ২৭-৬-২০০০ তাৰিখে ৭৫ বছৰ বয়সত মৃত্যু হয়। কেবা বছৰ ধৰি অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদকৰ দায়িত্ব পালন কৰা বৰুৱা ১৯৭২ চনৰ নিৰ্বাচনত বঙাইগাও সমষ্টিৰ পৰা অসম বিধান সভালৈ সদস্য নিৰ্বাচিত হয়। কিছুদিন সমাজবাদী কংগ্ৰেছত থকাৰ উপৰি তেওঁ "বঞ্চিত লোক পৰিষদ" নামৰ এটা আঞ্চলিক দলৰো জন্ম দিছিল। ৰাজনীতিৰ লগতে সমান্তৰাল ভাৱে সাংবাদিকতা কৰা বৰুৱাই মৃত্যুৰ সময়লৈকে সাপ্তাহিক 'অভিযান' কাকতৰ সম্পাদকৰ দায়িত্ব পালন কৰিছিল।

এই গৰাকী সমাজ কৰ্ম্মীৰ মৃত্যুত আমাৰ ৰাজ্যখনৰ যথেষ্ট ক্ষতি হয়।

১১। অসমৰ সমাজবাদী আন্দোলনৰ নেতা প্ৰাক্তন সাংসদ, শিক্ষাবিদ, অধ্যাপক অজিত কুমাৰ শৰ্মাৰ বাৰ্দ্ধক্যজনিত কাৰণত গুৱাহাটীৰ ৰিহাবাৰীৰ নিজ বাসভৱনত যোৱা ১১-৬-২০০০ তাৰিখে ৭৮ বছৰ বয়সত পৰলোক প্ৰাপ্তি ঘটে। তেখেতে ভাৰতৰ স্বাধীনতা আন্দোলনকে ধৰি অসমৰ ভাষা মাধ্যম, অস্তিত্ব ৰক্ষা আদি

আন্দোলনত সক্রিয় ভাৱে অংশ গ্ৰহণ কৰিছিল। ১৯৭৫ চনৰ জৰুৰী কালীন অৱস্থাত কাৰাবাস খটা শৰ্মাই ১৯৭৮ চনত ৰাজ্যসভালৈ নিৰ্বাচিত হয়। অধ্যাপক শৰ্মাই সাংবাদিকতাও কৰিছিল। শৰ্মা ডাঙৰীয়াই 'মত-অমত' নামৰ গ্ৰন্থকে ধৰি কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল। 'মানুহ' নামৰ আলোচনীখনৰো তেখেতে সম্পাদনা কৰিছিল।

এই গৰাকী বিশিষ্ট ব্যক্তিৰ মৃত্যুত দেশ তথা ৰাজ্যখনৰ সামাজিক জীৱনৰ এক পূৰাব নোৱাৰা ক্ষতি হয়।

১২। বড়ো সাহিত্য সভাৰ সভাপতি বিনেশ্বৰ ব্ৰহ্মাক যোৱা ১৯-৮-২০০০ তাৰিখে গুৱাহাটীৰ ভেটাপাৰাৰ নিজা বাসভৱনত আততায়ীয়ে নৃশংসভাবে গুলীয়াই হত্যা কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৫৩ বছৰ। কোকৰাঝাৰ জিলাৰ ভাটামাৰী গাওঁত জন্মগ্ৰহণ কৰা ব্ৰহ্মা ডাঙৰীয়াই ছাত্ৰ কালৰ পৰাই সাংগঠনিক কামত জৰিত থাকিও অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা স্নাতক হৈ ওলাইছিল। ১৯৯৬ চনত বড়ো সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হোৱা ব্ৰহ্মাই দুবাৰো উক্ত সাহিত্য সভাৰ সভাপতিৰ আসন অলংকিত কৰিছিল। তেখেতৰ নেতৃত্বতে বড়ো সাহিত্য সভাই বড়ো ভাষাৰ মাধ্যম হিচাপে দেৱনাগৰি লিপি গ্ৰহণ কৰিছিল।

বড়ো ভাষা, সাহিত্য তথা ৰাজ্যখনৰ বৌদ্ধিক জগতৰ নেতৃস্থানীয়, সমাজকৰ্মী, এই গৰাকী জনপ্ৰিয় নেতাৰ অকাল বিয়োগত ৰাজ্যখনৰ কলা-সংস্কৃতি আৰু সামাজিক জীৱনৰ বিশেষ ক্ষতি হ'ল।

১৩। জনপ্ৰিয় ঔপন্যাসিক, গল্পকাৰ তথা অসম সাহিত্য সভাৰ সৰ্থেবাৰী অধিবেশনৰ প্ৰাক্তন সভাপতি হিতেশ ডেকাৰ যোৱা ৩০-৮-২০০০ তাৰিখে শাৰীৰিক অসুস্থতা হেতু ৭৮ বছৰ বয়সত পৰলোক প্ৰাপ্তি ঘটে।

বিশিষ্ট সাহিত্যিক গৰাকীয়ে কেইবাখনো বহুমূলীয়া উপন্যাসৰ দ্বাৰা ভাষা-সাহিত্যৰ ভঁড়াল চহকী কৰি থৈছে। তেওঁ লিখা উপন্যাস বোৰৰ ভিতৰত এয়েতো জীৱন, আজিৰ মানুহ আদি অন্যতম। জীৱনৰ সৰ্বক্ষণত অসম সাহিত্য সভা তথা বিভিন্ন সামাজিক উন্নয়নৰ কামত নিজকে ওতঃপ্ৰোতঃ ভাৱে জড়িত ৰাখি ভাষা জননীৰ হকে তেখেতে আজীৱন কাম কৰি গৈছে।

এই গৰাকী সাহিত্যিকৰ মৃত্যুত দেশৰ এক অপূৰণীয় ক্ষতি হ'ল।

১৪। অসম জমিয়ত উলেমা-ই-হিন্দৰ সভাপতি তথা বাশকান্দীৰ ডাৰ-উল্-উলুম মাদ্ৰাছা বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক মৌলবী, কুতব্-এ-আলম, মৌলানা আহমেদ আলি চাহাবৰ হৃদৰোগত আক্ৰান্ত হৈ যোৱা ১১-৬-২০০০ তাৰিখে মুম্বাইৰ এখন চিকিৎসালয়ত ৮৬ বছৰ বয়সত মৃত্যু ঘটে।

বদৰপুৰত জন্মা মৌলানা অসম তথা সমগ্ৰ দেশৰেই ইছলাম ধৰ্মীয় ৰাইজৰ এগৰাকী নমস্য ব্যক্তি আছিল। তেখেতে ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰাৰ লগতে মুছলিম লীগৰ বিৰুদ্ধে গৈ দেশ বিভাজনৰ তীব্ৰ বিৰোধিতা কৰিছিল। কাছাৰক অসমৰ পৰা বাদ দিয়াৰ বাবে তোলা দাবীৰো বিৰোধিতা কৰি বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজত এক সমন্বয়ৰ হেতু প্ৰতিষ্ঠা কৰিছিল। তেখেতে সুদীৰ্ঘ ৩০ বছৰ কাল অসম জমিয়ত-উলেমা-হিন্দৰ সভাপতি হিচাপে কাৰ্য্যনিৰ্ব্বাহ কৰাৰ উপৰিও ডাৰ-উল্-উলুম মাদ্ৰাছা ধৰ্ম্মীয় বিশ্ববিদ্যালয়ৰ অধ্যক্ষ পদত কাৰ্য্যনিৰ্বাহ কৰিছিল। নিজকৰ্ম্মৰ গুণেৰেই আলি চাহাব দেশৰ ইছলামধৰ্মী ৰাইজৰ ধৰ্ম্মগুৰু হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল।

এই গৰাকী বিশিষ্ট ধৰ্ম্মীয় নেতা তথা সমাজকৰ্ম্মীৰ মৃত্যুত দেশ তথা আমাৰ ৰাজ্যখনৰ এক পূৰাব নোৱাৰা ক্ষতি হয়।

১৫। কল্যাণজীৰ মৃত্যুতো সদনে শোক প্ৰকাশ কৰে।

ওপৰত উল্লেখ কৰা ব্যক্তি কেইগৰাকীৰ পবিত্ৰ স্মৃতিত আৰু তেখেত সকলৰ বিদেহী আত্মাৰ সদ্‌গতি আৰু চিৰশান্তি কামনা কৰি এতিয়া এক মিনিট কাল থিয় হৈ মৌনতা অবলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য সকলৰ প্ৰতি অনুৰোধ জনালো।

(The House observed one minute silence for eternal peace of the departed souls)

The House stands adjourned till 4 P.M. on Saturday the 2nd September, 2000.

## ADJOURNMENT

The House then stood adjourned at 4.25 P.M. till 4 P.M. on Saturday, the 2nd September, 2000.

Dispur
The 1st September, 2000.

D. Talukdar
Secretary,
Assam Legislative Assembly.